# দুধনৈ অঞ্চলত বিজ্ঞান শিক্ষা আৰু সামাজিক দায়বদ্ধতা এটি চমু আলোচনা —

**তৰুণ চাংমাই**
সহযোগী অধ্যাপক , প্ৰাণীবিজ্ঞান বিভাগ

বিজ্ঞান শিক্ষাৰ অগ্ৰগতি অবিহনে এখন সমাজ, এটা জাতি সৰ্বদিশত আগুৱাই যোৱা অসম্ভৱ। আধুনিক বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই মানৱ সমাজক বহুদূৰ আগুৱাই লৈ গ'ল। ইয়াক বাদ দি আজিৰ মানৱে এখোজো আগুওৱাৰ কথা ভাবিব নোৱাৰে। বিশ্বৰ পৰিবৰ্ত্তিত পৰিস্থিতিৰ লগত মোকাবিলা কৰিবলৈ হ'লে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ উন্নয়ণ এখন উন্নয়ণশীল দেশৰ বাবে অত্যন্ত প্ৰয়োজন।

উন্নয়ণশীল দেশ ভাৰতবৰ্ষই প্ৰাক্স্বাধীনতাৰ কালৰ পৰাই ইয়াৰ উন্নতিৰ পোষকতা কৰি আহিছে। স্বাধীনতা আৰু স্বাধীনতাৰ পৰৱৰ্তী কালত বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাই যিদৰে উন্নতি লাভ কৰিব লাগিছিল, সেয়া হৈ উঠা নাই। যাৰ কাৰণে ভাৰতবৰ্ষৰ একাংশ উৎকৃষ্ট মানৱ সম্পদৰ দেশৰ পৰা বিদেশলৈ বৰ্হিগমন হৈছে। ভাৰতবৰ্ষৰ কিছুমান পৰম্পৰাগত সামাজিক পৌৰাণিক ৰীতি-নীতিয়েও বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নয়ণত কম-বেছি পৰিমাণে বিধি পথালি দি আহিছে। তৎসত্বেও ভাৰতবৰ্ষৰ জনসাধাৰণৰ মাজত বৈজ্ঞানিক চেতনা একেবাৰে জাগ্ৰত নোহোৱাকৈ থকা নাই। যিখন সমাজ বৈজ্ঞানিক মানসিকতাৰে সচেতন হৈ আধুনিক চিন্তা-চৰ্চাৰে আগবাঢ়িছে সেই সমাজেই সভ্যতাৰ জখলা বগাই সুপ্ৰতিস্থিত হৈ আত্মপৰিচয় ডাঙি ধৰিবলৈ সক্ষম হৈছে। অসম তথা উত্তৰ পূৰ্বাঞ্চল দিল্লীৰ পৰা বহুদূৰত হোৱাৰ কাৰণে আৰু এই অঞ্চলৰ উন্নয়ণৰ হকে মাত-মতা মানুহৰ অভাৱৰ কাৰণেই হয়তো বিজ্ঞান-প্ৰযুক্তিবিদ্যাই এতিয়াও দেশৰ অন্যান্য ঠাইৰ তুলনাত পিছ পৰি আছে। কেৱল বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিয়ে সমাজ উন্নয়ণৰ মাপকাঠি হ'ব নোৱাৰে। সমাজ উন্নয়নৰ বাবে লাগিব ব্যক্তিসকলৰ বৈজ্ঞানিক মানসিকতা। বৈজ্ঞানিক মানসিকতাইহে এখন সুস্থ সবল সমাজ গঢ়ি তুলিব পাৰে।

দুধনৈ অসমৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে গোৱালপাৰা জিলাত অৱস্থিত। এই এলেকা মেঘালয়ৰ গাৰোপাহাৰৰ লগত সংলগ্ন। পাহাৰ ভৈয়াম আৰু টিলাৰে গঠিত এই অঞ্চল প্ৰধানত জনজাতি বসতি প্ৰধান। ৰাভা, বড়ো, গাৰো, হাজং আৰু অন্যান্য জাতি-উপজাতিৰে সম্প্ৰীতি ৰক্ষা কৰি বসবাস কৰা এক বৈচিত্ৰ্যময় অঞ্চল। ইয়াত বসবাস কৰা প্ৰত্যেকটো জাতি জনগোষ্ঠীয়ে নিজা-নিজা কৃষ্টি-সংস্কৃতি, পৰম্পৰাগত ৰীতি-নীতি আৰু সুকীয়া বৈশিষ্ট্যৰে পৰিচালিত হৈ আহিছে। সমাজত চলি থকা নীতি নিয়মবোৰৰ কিছুমান বিজ্ঞানসন্মত নহয় আৰু এতিয়াও অন্ধ বিশ্বাসৰ কবলৰ পৰা সম্পূৰ্ণ মুক্ত নহয়। এইবিলাক আঁতৰ কৰিবলৈ হ'লে বিজ্ঞান শিক্ষা আৰু বৈজ্ঞানিক মানসিকতাৰ ভাৱ গঢ়ি তোলা যে অত্যন্ত প্ৰয়োজন এই সত্যক বাস্তৱত পৰিণত কৰিবৰ কাৰণে দুধনৈৰ কেইগৰাকীমান স্বনামধন্য ব্যক্তিৰ আশাশুধীয়া প্ৰচেষ্টাত স্বাধীনতাৰ ৩৮ বছৰৰ পিছত দুধনৈ মহাবিদ্যালয়ৰ কলা শাখাৰ লগত বিজ্ঞান শাখাৰ শুভাৰম্ভ কৰা হয়। ১৯৮৫ চনত প্ৰাক্ বিশ্ববিদ্যালয়ৰ প্ৰথম বৰ্ষ শ্ৰেণীৰে আৰম্ভ কৰা বিজ্ঞান শাখাত ১৯৮৭ চনৰ পৰা স্নাতক শ্ৰেণীৰো শুভাৰম্ভ কৰা হয়। যিসকল ব্যক্তিৰ নেতৃত্বত এদিন বিজ্ঞান শাখা আৰম্ভ হৈছিল, সেইসকলৰ বেছিভাগেই আজি কিছু বছৰৰ ভিতৰত ইহলীলা সম্বৰণ কৰিছে। তেখেতসকলৰ ভিতৰত ক্ৰমে প্ৰয়াত প্ৰাক্তন অধ্যক্ষ কৰুণাকান্ত ৰাভা ছাৰ, হাকিম চন্দ্ৰ ৰাভা, প্ৰাক্তন বিধায়ক, দুধনৈ জনজাতি সংৰক্ষিত সমষ্টি, পবিত্ৰ কুমাৰ সৰকাৰ, বিশিষ্ট সমাজ কৰ্মী আনন্দীবালা ৰাভা, প্ৰাক্তন বিধায়িকা, দুধনৈ জনজাতি সংৰক্ষিত সমষ্টি, তৰুণ খাখলাৰী, বিশিষ্ট সমাজকৰ্মী আদিয়ে প্ৰধান। আৰম্ভণিতে বিজ্ঞান শাখাত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম আছিল। বহুতে দুধনৈ মহাবিদ্যালয়ৰ বিজ্ঞান শাখাত নাম ভৰ্তি কৰিবলৈ সংকোচবোধ কৰিছিল। শিক্ষকৰ অভাৱ আৰু অনুন্নত বিজ্ঞানাগাৰেই আছিল সম্ভৱতঃ ইয়াৰ মূল কাৰণ। তাৰোপৰি ব্যৱহাৰিক জ্ঞানৰ (Practical) পৰীক্ষাসমূহ গোৱালপাৰা মহাবিদ্যালয়ত দিব লগা হোৱাত ছাত্ৰ-ছাত্ৰীসকল বহু অসুবিধাৰ সন্মুখীন হ'ব লগা হৈছিল। পৰৱৰ্ত্তী কালত ক্ৰমাগতভাৱে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বৃদ্ধি পাবলৈ ল'লে আৰু প্ৰাক্বিশ্ববিদ্যালয় (বৰ্তমান উচ্চতৰ মাধ্যমিক শ্ৰেণী) আৰু স্নাতক শ্ৰেণীৰ ফলাফলো ক্ৰমে সন্তোষজনকভাৱে ভাল হ'বলৈ ধৰিলে। ১৯৮৭ চনত আৰম্ভ কৰা স্নাতক শ্ৰেণীত নামভৰ্ত্তি কৰা ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ পৰা প্ৰথম বিজ্ঞান স্নাতক হিচাপে উত্তীৰ্ণ হৈ আহিল ১৯৯০ চনত ক্ৰমে শ্ৰীমতী ৰাণু দাস আৰু শ্ৰীসৰলা ৰাভা। বৰ্তমান ৰাণুদাস এগৰাকী বিজ্ঞান শিক্ষয়িত্ৰী আৰু সৰলা ৰাভা

দ্রগৰাকী গ্ৰন্থাগাৰিক। এতিয়া বিজ্ঞান শাখাত উচ্চতৰ মাধ্যমিক শ্ৰেণী আৰু আটাইকেইটা যান্মাষিকতে চাৰিশৰো অধিক ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰে। আটাইকেইটা বিভাগতে গুৰু পাঠ্যক্ৰমৰ ব্যৱস্থা আছে। সীমিত আসন আৰু উচ্চ মানদণ্ড সম্পন্ন বিজ্ঞানাগাৰৰ অভাৱে কেতিয়াবা কেতিয়াবা শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলক হতাশ কৰে। আমি আশাকৰো বৰ্তমানৰ অধ্যক্ষ মহোদয়ৰ নেতৃত্বত অচিৰেই এই সমস্যাৰ সমাধান হ'ব।

বহু বিজ্ঞান স্নাতক ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয় আৰু অন্যান্য আনুষ্ঠানিক শিক্ষা সমাপ্ত কৰি ডাক্তৰ, ইঞ্জিনিয়াৰ, অধ্যাপক, শিক্ষক তথা চৰকাৰৰ বিভিন্ন বিভাগত সুখ্যাতিৰে কাৰ্যনিৰ্বাহ কৰি আছে। তেওঁলোকক মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ সমাবেশত বা অন্যান্য সময়ত লগ পালে আমি শিক্ষকসকলে গৌৰৱ অনুভৱ কৰো। কাৰণ তেওঁলোক আমি পঢ়ুওৱা ছাত্ৰ-ছাত্ৰী।

১৯৯৪ চনত মহাবিদ্যালয়ৰ বিজ্ঞান শাখা ঘাটি মঞ্জুৰী তালিকাত অন্তৰ্ভূক্ত হ'ল। ১৯৯৬ চনৰ ১১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ সেই সময়ৰ প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱৰ নেতৃত্বাধীন চৰকাৰে বিজ্ঞান শাখাক ঘাটি মঞ্জুৰীৰ অধীনলৈ আনে আৰু শিক্ষক-কৰ্মচাৰীসকলৰ পদসমূহত অনুমোদন জনায়। সেই সময়ত চৰকাৰে মুঠ ৪৩ খন মহাবিদ্যালয় ঘাটি মঞ্জুৰীৰ অধীনলৈ আনে।

১৯৮৫ চনৰ পৰা ১৯৯৬ চনলৈকে বহু ঘাত-প্ৰতিঘাতৰ মাজেদি বিজ্ঞান শাখাই অগ্ৰগতি লাভ কৰিছিল। ভ্ৰাম্যমান থিয়েটাৰ দলৰ, ৰাইজৰ পৰা ধান সংগ্ৰহ, বজাৰ-মেলা আদিৰ পৰা টেমা জোকাৰি ধন সংগ্ৰহ কৰা, ব্যক্তিগত প্ৰতিশ্ৰুতিৰে ধন সংগ্ৰহ, কেৰাচিন আৰু চিনেমা গৃহৰ টিকটৰ ওপৰত কৰ আৰোপ কৰি ধন সংগ্ৰহ কৰা আদিয়েই আছিল বিজ্ঞান শাখা পৰিচালনা কৰা ধনৰ উৎস। ইয়াৰ পৰাই বিজ্ঞান শাখাৰ শিক্ষক-কৰ্মচাৰীসকলক মাননি দিয়াৰ উপৰিও বিজ্ঞানশাখাৰ আচবাব, ব্যৱহাৰিক জ্ঞানৰ আহিলা-পাতি ইত্যাদি সমস্ত ক্ৰয় কৰিব লগা হৈছিল। বিজ্ঞান শাখা পৰিচালনা অতি ব্যয়বহুল। ইয়াক সীমিত উৎসৰ ধনেৰে চলোৱা অতি কষ্টকৰ। স্থানীয় ব্যৱসায়ী তথা বিশিষ্ট সমাজকৰ্মী চান্দমল জৈন, কে এম আগৰৱালা, কাৰ্তিক সিংহ আৰু ৰবি সিংহ, ৰঞ্জিত দত্ত আৰু প্ৰাক্তন বিধায়ক প্ৰয়াত হাকিম চন্দ্ৰ ৰাভা আৰু ...নৰ হাজৰিকাই বিজ্ঞানাগাৰ ভৱন কেইটি নিৰ্মাণ কৰি দিয়াত বিজ্ঞান শাখাই গতিশীলতা লাভ কৰিলে।

মহাবিদ্যালয়ৰ বিজ্ঞান শাখা আৰম্ভ হোৱাৰ বছৰতে দুধনৈ মহাবিদ্যালয়ক কেন্দ্ৰ কৰি অসম বিজ্ঞান সমিতিৰ দুধনৈ শাখাৰ জন্ম হয়। জন্মৰে পৰা এতিয়ালৈকে শাখাই সমিতিয়ে নিৰ্ধাৰণ কৰা কাৰ্যসূচী আৰু নিজাববীয়াকৈ কাৰ্যসূচী গ্ৰহণ কৰি কাৰ্যকৰী কৰি আহিছে। এক বৃহৎ সংখ্যক প্ৰাক্তন ছাত্ৰ-ছাত্ৰী সমাজত বিভিন্ন দিশত সুপ্ৰতিস্থিত হৈছে সেয়া সঁচা। কিন্তু সমাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত এওঁলোক যেন নিস্ক্ৰিয়। দুধনৈ অঞ্চলৰ সমাজ ব্যৱস্থা সমূহৰ



পৰা এতিয়াও কু-সংস্কাৰ, অন্ধ-বিশ্বাস ইত্যাদি আঁতৰি যোৱা নাই। ইয়াত ডাইনী হত্যাৰ দৰে জঘন্য কাণ্ডসমূহ এতিয়াও মাজে সময়ে সংঘটিত হৈয়েই থাকে। বেজ-বেজালি, তান্ত্ৰিক আদিৰ কবলৰ পৰা ইয়াৰ বাসিন্দাসকল মুক্ত নহয়। বহু সময়তঅঞ্চলটোৰ বিভিন্ন ঠাইত বাহিৰৰ তান্ত্ৰিকে তন্ত্ৰ-মন্ত্ৰৰে পৰিয়ালৰ মংগল কামনা কৰাৰ চলেৰে ধন-সোণ লুটি নি মানুহক সৰ্বস্বান্ত কৰা দেখা যায়। পূজা-পাতল সমূহৰ সংখ্যা আৰু জাক্‌জমকতা অঞ্চলটোত দিনক দিনে বাঢ়িবলৈ লাগিছে। শক্তি আৰাধনাৰ নামত জীৱৰ বলিদানৰ সংখ্যা দিনক দিনে বাঢ়িহে গৈছে। বলি-বিধান প্ৰক্ৰিয়াৰে পৰিয়ালৰ মংগল আনিব খোজাটো কেতিয়াও বিজ্ঞান সন্মত চিন্তা নহয়। এনে চিন্তা ধাৰাৰে সমাজ কেতিয়াও আগবাঢ়ি যাব নোৱাৰে। সামাজিক অনুষ্ঠান সমূহক আমি নুই কৰিব নোৱাৰো। সমাজ বিছিন্ন হৈ কোনো মানুহে শান্তি লভিব নোৱাৰে। কিন্তু সমাজৰ আনুষ্ঠানিক উৎসৱৰ নামত অবৈজ্ঞানিক চিন্তাধাৰাক কেতিয়াও মানি ল'ব নোৱাৰি। এচাম অসাধু মানুহে এনে কাৰ্যত উদগনি দিয়ে। যিমানেই সৰ্বসাধাৰণ মানুহ এই উৎসৱ-পাৰ্বনত মছগুল হৈ থাকিব সিমানেই এই অসাধু শ্ৰেণীটোৱে শাসন-শোষণৰ পথ মুকলি ৰাখিবলৈ সক্ষম হ'ব। সৰ্বসাধাৰণে ইয়াৰ অন্তৰ্নিহিত কাৰণসমূহ ভালদৰে বুজি নাপায়। কৃষিজীৱী সমাজত চলি থকা অবৈজ্ঞানিক চিন্তাধাৰাসমূহ আঁতৰ কৰাৰ সময় সমাগত। অন্যথাই সমাজ কেতিয়াও প্ৰগতিৰ দিশত সংস্কৃতিবান হৈ আগুৱাব নোৱাৰে। ইয়াৰ কাৰণে লাগিব কৃষিজীৱী সমাজৰ মনোভাবৰ শ্ৰেণীটোৰ সদইচ্ছা। বিজ্ঞানৰ ছাত্ৰ-ছাত্ৰীসকলে সমাজত বৈজ্ঞানিক মানসিকতা গঢ়ি তোলাত অংশ ল'ব লাগিব। বিজ্ঞান সমিতিৰ দৰে স্বেচ্ছাসেৱী সংগঠনসমূহ আগবাঢ়ি আহিব লাগিব আৰু অধিক সক্ৰিয় হ'ব লাগিব। দেশৰ, বুদ্ধিজীৱী, সাংবাদিক, শিক্ষক, সমাজসেৱীসকলো আগবাঢ়ি নিস্বাৰ্থভাৱে সেৱা আগবঢ়ালে নিশ্চয়কৈ সামাজিক কু-প্ৰথাসমূহ আঁতৰিব আৰু আগুৱাই যাবলৈ সক্ষম হ'ব। এই ক্ষেত্ৰত চৰকাৰেও গ্ৰহণযোগ্য পদক্ষেপ ল'ব লাগিব। কুসংস্কাৰমুক্ত সমাজ গঢ়াত সকলোৱে সামাজিক দায়বদ্ধতাৰে ব্যস্ততাপূৰ্ণ জীৱনৰ মাজতো অকণমান সময় উলিয়াই সেৱা আগবঢ়ালে নিশ্চয় বিজ্ঞানসন্মত মানসিকতাৰে পুষ্ট ব্যক্তিৰে এখনি পূৰ্ণ সমাজ গঢ়ি উঠিব। অৱশ্যে ইয়াৰ কাৰণে লাগিব সকলোৰে সদিচ্ছা।

# অথ বন্ধুত্ৰয় কথা

ড° ৰজত চন্দ্ৰ ৰাভা
সহযোগী অধ্যাপক আৰু মূৰব্বী,
অসমীয়া বিভাগ

ডেকা, দত্ত আৰু কলিতা — তিনিও দুধনৈ কলেজ ৰোডত এটা ঘৰত মেচ কৰি থাকে। মেচটোৰ নাম 'দিলখুশ'। চাকৰিসূত্ৰে তিনিও ঘৰৰ ল'ৰা-তিৰোতা, পৰিয়ালৰ পৰা আঁতৰি এই দিলখুশ মেচৰ বাসিন্দা। কি সুখ, কি দুখ, খাওঁকে বা নাখাওঁকে, মাছে-মঙহে বা খালী ভাতে যিহেৰে খায় মুঠতে দিলখুশ মেচৰ বাসিন্দাসকলৰ দিন সদায় খুশ হৈয়ে থাকে। সিফালে ঘৰত লাগিলে সুখেৰে থাকক বা দুখেৰে থাকক, মুঠতে দিলখুশ মেচত কেতিয়াও মনত কলীয়া ডাঁৱৰ, বেজাৰ, বেদনা, বিষাদ, নিৰানন্দ বোলা শব্দবোৰৰ প্ৰৱেশ ঘটিব নোৱাৰে।

এদিনৰ কথা। তিনিও বন্ধু গুৱাহাটীৰ পৰা আহি দুধনৈ বাছ ষ্টেণ্ডত নামিল। বাছেৰে অহা বাবে তেওঁলোকৰ ভাগৰো লাগিছে। কলিতাই ক'লে 'এখন ৰিক্সাই লওঁ দিয়ক। এই ৰিক্সা?'

এখন ৰিক্সা আহিল, ৰিক্সাৱালাই ক'লে — 'কলৈ যাব?'

কলিতা — কলেজ ৰোড।

দত্ত — নধৰিব।

ৰিক্সাৱালা — ধৰিব।

ডেকা — মই খোজ কাঢ়ি যাওঁ দিয়ক। মহাবীৰৰ দোকানৰ চাইদতে চাইকেলখন থৈছোঁ।

কলিতা — এইখিনিহে। উঠক, উঠক।

ৰিক্সাৱালা — ধৰিব।

দত্ত — নধৰিব হে!

কথা কৈ কৈ অৱশেষত তিনিও থেপাথেপিকৈ ৰিক্সাখনত বহিল। ৰিক্সাৱালাই কোনোমতে কেৰেপ্ কেৰেপ্ কৈ চলাই চাৰিআলিৰ ফালে লাহে লাহে যাবলৈ ধৰিলে। চাৰিআলি পালে। ধৰিলে নহয় পুলিচে।

পুলিচ — এই ৰিক্সা ৰাখ ৰাখ।

ৰিক্সাৱালা — কৈছিলো নহয় ধৰিব বুলি। এতিয়া খাওঁক পুলিচৰ গালি।

কলিতা — ধেৎ তেৰি; আমি ভাবিছিলোঁ ৰিক্সাত তিনিজন নধৰিব। তুমি বাৰে বাৰে কৈ আছা ধৰিব ধৰিব বুলি। সেইকাৰণেহে উঠিছিলোঁ। ছেঃ বুজাতে ভুল হৈ গ'ল।

এইবুলি তিনিও ৰিক্সাৰ পৰা নামি দহ টকা এখন উলিয়াই ৰিক্সাৱালাক বিদায় দিলে।

তাৰ পৰা তিনিও পদ যাত্ৰাৰে মহাবীৰৰ দোকানলৈ আহিল। তাৰে পৰা ডেকাই চাইকেলখন লৈ ল'লে।

দত্ত — ডেকা আপুনি চাইকেলেৰে আগুৱাই যাওঁক। মোৰ বৰ ভোক লাগিছে। এতিয়া চাহ-তাহ একো নাখাওঁ দিয়ক। মেচলৈ গৈ ভালকৈ হাত ভৰি ধুই চাহ কাপ খাম। আপুনি নহ'লে এটা কাম কৰিব। ৰাম জানকী মন্দিৰৰ কাষতে যে আছে মিঠাইৰ দোকানখন, তাৰ পৰা আধা কিলো জিলাপী ল'ব।

ডেকা — হ'ব দিয়ক। আপোনালোকে লাহে লাহে আহি থাকক। মই আগবাঢ়ি যাওঁ।

এইবুলি ডেকাই চাইকেলত উঠি পেদেল মাৰিবলৈ ধৰিলে। ইফালে গগৈয়ে হাতত কিবা এটা পলিথিনৰ টোপোলা লৈ দেইলি বজাৰৰ ফালৰ পৰা আহি থকা দেখি দত্তই মাত লগালে।

দত্ত — গগৈদা কি ল'লে?

গগৈ — কি কম আৰু? এওঁ ল'ৰা-ছোৱালীলৈ মাহীয়েকৰ ঘৰলৈ গ'ল মোক ঘৰৰ চকীদাৰ কৰি থৈ। কাইলৈ আবেলিহে আহিব হেনো। সেই কাৰণে অলপ মাছকে ললোঁ ৰাতি খাবলৈ। পিচে অকলে থাকি ভাল নালাগেহে। ৰাতিটো কেনেকৈ কটাও তাকেহে ভাবিছোঁ।

কলিতা — ধেৎতেৰি গগৈদা। তেনেহ'লেতো ভালেই হ'ল। আজি আমিয়েই আপোনাৰ ঘৰত চকীদাৰী কৰিব পাৰো দেখোন।

গগৈ — অ' কথাটো বেয়া নহয়। তেনেহ'লেতো মাংসহে ল'ব লাগিব।

দত্ত — (ভাগৰে জুগৰে আহি) হ'ব দিয়ক। আজি গগৈদাৰ ঘৰতে বহিম। মেচলৈ গলেও বনাই খাব লাগিলহেঁতেন।

কলিতা — এটা কাম কৰক। আজি আপোনাৰ তাত কোনো

নাইতো। ট্ৰেক্টৰকে লোৱা যাওঁক।

গগৈ — বেয়া নহ'ব। ড্ৰিংক্চ্ৰ লগত ট্ৰেক্টৰহে বেছি মিলে। ব'লক। তিনিও পুনৰ দেইলি বজাৰলৈ গ'ল আৰু কোৱামতে মাংস এক কিলোগ্ৰাম আৰু এটা Officer's choice লৈ ঘৰলৈ আহিল।

সামগ্ৰীখিনি লৈ গগৈ ঘৰলৈ গ'ল। কলিতা আৰু দত্তই মেচলৈ আহি ভালকৈ হাতভৰি ধুই চাহ তাহ একো নোখোৱাকৈ ডেকাক লৈ গগৈৰ ঘৰলৈ আহিল।

চাৰিওজনে কোনোৱে পিয়াঁজ, নহৰু, আদা চেলি, কোনোৱে আলু কাটি মাংস ৰন্ধাৰ বাবে সাজু কৰিলে। দত্তই দক্ষ হাতেৰে অতি কম সময়ৰ ভিতৰতে মাংসখিনি জুতি লগাই ৰান্ধিলে। গগৈয়ে গিলাচ চাৰিটা আৰু পানীৰ মগটো লৈ পাৰ্টিৰ কাৰণে সাজু হ'ল।



দত্ত — মই গগৈকাৰ লগত হওঁ দিয়ক। কলিতা আৰু ডেকা পাৰ্টনাৰ হওঁক।

চাৰিও মেৰিচ খেলিবলৈ ধৰিলে। গগৈয়ে পানীয়খিনি ঢালি দিলে। খেল, পানীয় দুয়োটা চলি থাকিল। অলপ পিছতে ডেকাৰ মুখৰ পৰা শ্বায়েৰী ওলাব ধৰিলে —

'ৰৌচনী আতী হ্যায়, চান্দসে, মহব্বত হোতি হ্যায় একমে জিচকা কৈ নেহি হ্যায়, খোদা উসকী হোতা হ্যায়।

দত্ত — বাঃ বাঃ বাঃ।

ডেকা — এতিয়া শুনক মোৰ নিজৰ ৰচিত শ্বায়েৰীত — 'হুয়ে কৌন কহতা হ্যায় চাৰাব মে নচা হ্যায়; অগৰ চাৰাবমে নচা হ্যায় তো বোটল 'কেহচে খাৰা হ্যায়।'

সকলোৱে — বাঃ বাঃ বাঃ

কলিতা — Drink শব্দটোৰ হেনো প্ৰতিটো Letter ৰ সুকীয়া সুকীয়া অৰ্থ আছে।

D – মানে Desire অৰ্থাৎ এক পেগ খালে আৰু এক পেগ খাবৰ মন যায়।

R– Romance মানে দ্বিতীয় পেগটো খালে অলপ ৰোমাঞ্চ কৰিবৰ মন যায়।

I– মানে Inteeligent অৰ্থাৎ তৃতীয় পেগ খালে নিজকে আনতকৈ বেছি বুধিয়ক বুলি ভাবিবলৈ লয়।

N– মানে Noughty অৰ্থাৎ চতুৰ্থ পেগটো খালে দুষ্ট হয়। কৰিবলগীয়া কামও কৰে। নাখাব লগীয়া বস্তুও খায়। যিহকে তিহকে কয়, বকে।

K মানে হ'ল king । শেষ পেগটো খালে নিজকে ৰজা বুলি ভাবে। কাকো ভয় নকৰে, king বা ৰজাৰ দৰে আনৰ লগত যুদ্ধ বা কাজিয়া কৰিবৰ মন কৰে। একো নহ'লেও ৰজাক কোনেও একো ক'ব বা কৰিব নোৱাৰে। বাটে-পথে পৰি থাকে।

খেল খটম হ'ল। দত্তহঁতে হাৰিল। কলিতাহঁতে জিকিলে। আটাইকেইজনে ভাত-পানী খাই অতাই দত্ত, ডেকা আৰু কলিতা তিনিও দিলখুশ মেচলৈ আহিল।

দত্ত — আজিতো আৰু জিলাপী খোৱা নহ'ব। কালি ৰাতিপুৱাই খাম দিয়ক।

কলিতা — অ ! সেইটোকে কৰা যাওঁক।

ডেকা — হয়, হয়, এটা কাম কৰা যাওঁক। ৰাতি টোপনিত যিজনে আটাইতকৈ ভাল সপোন দেখিব, তেৱেঁই জিলাপী বেছিকৈ পাব।

কলিতা — অ! এতিয়া বহু ৰাতি হ'ল। খোৱাও অলপ বেছি হৈছে। গতিকে শুই থাকক।

তিনিও শুই থাকিল। ডেকা আৰু কলিতা শুই পৰিল; কিন্তু দত্তৰ মনটো খুট্ খুটাই থাকিল। নাই টোপনি নাহেহে নাহে। মনটো জিলাপীৰ টোপোলাটোত। এটা সময়ত যেতিয়া ডেকা আৰু কলিতা ঘোৰ টোপনিত পৰিল তেতিয়া দত্তই লাহেকৈ উঠি গৈ জিলাপীৰ টোপোলাটো খুলিলে। তাৰ পিছত তাৰে এখন কেনেকুৱা বুলি টেষ্ট ল'বলৈ বুলি মুখত ভৰালে। বৰ ভাল লাগিল দেখোন। আৰু এখন খোৱা যাওঁক। লাহেকৈ সোঁহাত খনেৰে আন এখন মুখত ভৰালে। বৰ তৃপ্তি লাগিল। কোনেও নেদেখাকৈ নিজে তৃপ্তিৰ মিছিকিয়া হাঁহি মাৰি পুনৰ এখন জিলাপী মুখত ভৰালে।

ইমান ৰসাল জিলাপী — এখন — পুনৰ এখন — আকৌ এখন....। আৰে ! জিলাপী দেখোন খতমেই। এইকণ কি ৰাখিম। যা - খতম। চব্ খতম। খালে, টোপোলাটোত থকা সকলো জিলাপী, দিলখুশ হ'ল।

দত্তই এতিয়াহে মনটোত শান্তি পালে। বাপ্পেকে শুই থাকো এতিয়া। পানী এগিলাচ খাই শুই থাকিল।

পিছ দিনা পুৱা। প্ৰথমে উঠিল কলিতা। মুখহাত ধুই তেওঁ ডেকাক মাতিলে।

ডেকাই 'দেৰি হ'ল নেকি' বুলি ঘপহ কৈ উঠি ক'লে — ই দেখোন কুম্ভকৰ্ণ শোৱা দি শুই আছে। অই দত্ত, উঠক। আৰে আঠটা বাজে।'

তিনিও মুখ হাত ধুই উঠি বহিল। ডেকাই ক'লে — 'মই বৰ ধুনীয়া এটা সপোন দেখিলোঁ দেই। প্ৰথমে উৰা জাহাজত উঠি লণ্ডনলৈ গলো, তাৰ পাছত পেৰিছত, তাৰ পাছত জাপানৰ টোকিও চালো। একেবাৰে শেষত আহোতে ডুবাইত সোমাই আহিলো। বৰ ভাল সপোন এটা দেখিলো।'

কলিতা — বাদ দিয়কহে, আপোনাৰ লণ্ডন, পেৰিচ, টোকিঅ', ডুবাই। মই কি সপোন দেখিলো জানে? মই লগ পালো নাৰদক। নাৰদক ক'লো— প্ৰভু আপুনি হেনো ঢেঁকীৰে স্বৰ্গ, মৰ্ত্ত্য, পাতাল ঘুৰি ফুৰে। প্ৰভূ মোক অনুগ্ৰহ কৰিবনে আপোনাৰ ঢেঁকীত উঠি ময়ো অলপ স্বৰ্গ-মৰ্ত্ত, পাতাল চাই আহো। নাৰদে মোৰ প্ৰাৰ্থনা শুনি ক'লে — 'উঠা বৎস।' মই অলপো পলম নকৰি নাৰদৰ পিছত ঢেকীত বহি পৰিলোঁ। প্ৰথমে স্বৰ্গত দেবতাসকলক দেখিলোঁ। তাৰ পাছত মৰ্ত্ত্য। থাওক আপোনাৰ লণ্ডন, পেৰিচ, টোকিঅ', ডুবাই ! গোটেই পৃথিবীখনকে মোক ইমুৰৰ পৰা সিমুৰলৈকে দেখুৱালে প্ৰভূ নাৰদে। তাৰ পাছত পাতাল। ইস্ কি চাব। দুমুখীয়া, চাৰিমুখীয়া, পাঁচমুখীয়া কিমানযে নাগ ইস্ ইস্। আহি মোক নমাই দিলে এই দিলখুশ মেচত। লগে লগে মই সাৰ পালোঁ।'

দত্ত — 'মই কি দেখিলো জানে? এটা বিৰাট দৈত্য ক'ৰবাৰ পৰা আহি হঠাতে মোৰ সন্মুখত উপস্থিত হ'ল। দৈত্যটোৱে ক'লে — 'কিয় শুইছা'? মই কলো আৰে ৰাতি হৈছে শুইছো। দৈত্যটোৱে ক'লে — উঠা আৰু জিলাপীখিনি খোৱা। মই ক'লো— জিলাপীখিনি কাইলৈ পুৱা ব্ৰেকফাষ্টৰ কাৰণেহে। তিনিও খাম। তেতিয়া দৈত্যটোৱে ক'লে — তুমি যদি জিলাপীখিনি নোখোৱা মই তোমাক খাম। ভাই! মোৰ যে ইমান ভয় লাগিল। বিৰাট দৈত্য এটাই তেনেকৈ কৈছে। ওচৰত কোনো নাই। ডেকাই উৰা জাহাজত উঠি লণ্ডন, পেৰিচ, টকিঅ', ডুবাই ঘূৰিবলৈ গৈছে। আপুনি কলিতাই নাৰদ মুনিৰ লগত ঢেঁকীত উঠি স্বৰ্গ, মৰ্ত্ত, পাতাল ঘূৰি আছে। মই অকলে কি কৰোঁ। বিৰাট দৈত্য এটা। এতিয়া যদি তাৰ কথা মতে জিলাপীখিনি নাখাওঁ সি মোক গোটে গোটে গিলিব। উপায় নাই ! জিলাপীখিনি খাই পেলালোঁ।'

ডেকা আৰু কলিতাই জিলাপীৰ টোপোলাটো চায় যে সঁচাই জিলাপী খতম্। বিষন্ন মনে ডেকা আৰু কলিতাই দীঘলকৈ হুমুনিয়াহ পেলালে।

# কৌতুক

এদিন এজন ইংৰাজলোক এখন গাঁৱলৈ আহি খাল এটাত ভেনা মাখি উৰি থকা দেখি সেই বিষয়ে এজন গাঁৱৰ মানুহক সোধাত, গাঁৱৰ মানুহজনে কৈছিল — ইন দিজ খাল মে মেনি মেনি গৰৈ ফিচ এণ্ড মাগুৰ ফিছ মৰিং, হোৱেন পানী ইজ ড্ৰায়িং ডি ফিছ ইজ গেলিং, চো ভেনামাখি ভূন ভূনাইং।"

এজন মনোবিজ্ঞানীয়ে কেইজনমান ছাত্ৰক প্ৰশ্ন কৰিলে — 'যদি দুজন পুৰুষ আৰু এগৰাকী মহিলা এটা নিৰ্জন দ্বীপলৈ যায় তেন্তে পৰস্পৰে পৰস্পৰক কেনেকুৱা ব্যৱহাৰ কৰিব?

এজন মেধাৱী ছাত্ৰৰ উত্তৰ ঃ ছাৰ এইটো দেশ, দেশলৈ কথা। যদি তেওঁলোকে আমেৰিকান হয় তেন্তে দুয়োজন পুৰুষে মহিলা গৰাকীৰ পৰা ক্ষমা বিচাৰি বেপাৰৰ কথা পাতিব। যদি তেওঁলোক স্পেনিচ হয় তেন্তে মহিলাগৰাকীয়ে দুই পুৰুষক মাৰি সমুদ্ৰত পেলাই দিব। যদি তেওঁলোক ব্ৰিটিছ হয় তেতিয়া পাৰস্পৰিক পৰিচয়ৰ অভাৱত গোটেই কেইটাই পিঠিৰ ফালে পিঠি দি ৰ'দ পুৱাব। আৰু যদি ভাৰতীয় হয় তেতিয়া এজনে মহিলাগৰাকীক বিয়া কৰাব আৰু আনজনে তাইৰ ওপৰত কবিতা লিখা আৰম্ভ কৰিব।

সংগ্ৰহ, **হৰিপ্ৰিয়া বৰুৱা**
স্নাতক, তৃতীয় ষান্মাসিক (কলা শাখা)

# মোৰ নামটো কি আছিল ... ?

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা গল্প প্ৰতিযোগিতা'ত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত )

**পল্লৱী সূত্ৰধৰ**
স্নাতক ষষ্ঠ যান্মাসিক (কলা বিভাগ)

ৰীতাই হাতত ফোনটো লৈ তাইৰ মাকক ফোন কৰি সুধিলে — 'মা মোৰ নামটো কি আছিল'?

অলপ সময় ফোনত কথা পাতি আহি বিছনাত পৰি ৰীতাই ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। অজানিতে তাইৰ মনত পৰিল মাকৰ ঘৰত কটোৱা দিনবোৰলৈ। কি যে দিন আছিল তাইৰ সেইবোৰ।

ৰীতাৰ মাকৰ ঘৰ আছিল গোৱালপাৰা জিলাৰ দুধনৈ চহৰত। হায়াৰ ছেকেণ্ডাৰী পাছ কৰাৰ লগে লগে তাইৰ অনিচ্ছা স্বত্বেও তাইক বিয়া দিলে নলবাৰীত। যেতিয়া ৰীতা কলেজত পঢ়ে তেতিয়া তাইৰ লাহী-পাহি দেহ, মিঠা বৰণীয়া মুখ আৰু আছিল বৰ মৰম লগা চেহেৰা। তাইৰ মনত পৰে প্ৰথম মহাবিদ্যালয়ত যোৱা দিনটোৰ কথা ! উস্, ! প্ৰথম দিনা কলেজত তাইক তাইৰ দেউতাকে থ'বলৈ গৈছিল। তাইৰ দেউতাকে কৈছিল — 'মাজনী ভালকৈ পঢ়িবা।' ৰীতাই কলেজলৈ আহিয়েই কলেজৰ পৰিৱেশ দেখি মোহিত হৈছিল। এখন কাঠৰ দলং আৰু চাৰিওফালে সেউজীয়া পৰিৱেশ আৰু এটা যেন মুক্ত জীৱন। ছাৰ-মেমসকলো ইমান মৰমিয়াল। ইমান ধুনীয়াকৈ সদায় টিপ্ টপ্কৈ আহে। ছাৰ মেমসকলৰ বুজনিত মনোনিবেশ কৰা, কথা ভালকৈ শুনা আৰু যে কত কি? মহাবিদ্যালয়ৰ সকলোৱে ইমান ব্যস্ত, প্ৰত্যকে নিজৰ নিজৰ কামত মগন। ইমান ল'ৰা ছোৱালী থাকিলেও সকলোৱে ক্লাছত থাকিলে এনেহেন লাগে যেন কোনো মানুহেই নাই। কিন্তু ৰীতাই বিয়াৰ পাঁচ বছৰ পিছত এবাৰ ভনীয়েকৰ লগত মহাবিদ্যালয়খনলৈ গৈছিল যদিও তেতিয়া মহাবিদ্যালয়খন বহুত সলনি হোৱা দেখিছিল আৰু এতিয়া তাইৰ বিয়া হোৱা বিশ বছৰ হ'ল, এতিয়াতো আৰু বহুত উন্নত হৈছে। মহাবিদ্যালয়খনলৈ গৈ তাইৰ বহুত ভাল লাগিছিল। দুফালে দুটা ডাঙৰ ডাঙৰ বিল্ডিং, আৰু ইন্দ'ৰ ষ্টেডিয়াম আৰু 'ৰুম' বিলাকত ফেন, লাইটৰ ব্যৱস্থা ইত্যাদি সঁচাই বৰ ভাল লগা। কিন্তু এটা কথাত তাইৰ খুব বেয়া লাগিছিল কাৰণ এতিয়া আৰু সেই কাঠৰ দলংখন নাই। ছাত্ৰ-ছাত্ৰীসকলো বহুত বেলেগ হৈছে।

হায়াৰ ছেকেণ্ডাৰী পাছ কৰি ৰীতাৰ আৰু পঢ়িবৰ খুব মন আছিল। কিন্তু সুদীপ্ত ভাল বংশৰ, সমাজত উচ্চ মৰ্যদা থকা এজন চৰকাৰী চাকৰিয়াল ব্যক্তি হোৱা কাৰণে তাইৰ অনিচ্ছা স্বত্বেও মাকহঁতে তাইক বিয়া দিলে। বিয়া হোৱাৰে পৰা তাইৰ সময় নোহোৱা হ'ল।



ৰাতিপুৱা উঠা আৰু উঠিয়ে ঘৰৰ কামবোৰ কৰি থাকোতে থাকোতে তাইৰ সময় নহয়। তাইৰ শাহু আই অলপ বেলেগ ধৰণৰ। বৰ্তমান ৰীতা দুটা সন্তানৰ মাতৃ। বিয়া হোৱাৰে পৰা তাই আৰু পিছলৈ উভতি চাব পৰা নাই। আজি তাই নিজৰ নামটোকে পাহৰি পেলাইছে। তাই স্বামীক সুধিছিল। কিন্তু স্বামীয়ে ক'লে 'ময়ো নাজানো, তোমাৰ নামটো, ময়ো পাহৰিলো। তোমাক 'মাইনাৰ মা' বুলিহে মাতো, তুমি মাক সোধা।' ৰীতাই শাহুৱেকক সোধাত শাহুমাকে ক'লে — 'পাহৰিলো, মই তোমাক দেখোন 'বোৱাৰী' বুলিয়ে মাতো।'

'বোৱাৰী পাচলি খিনি ৰান্ধা' — হঠাৎ শাহুমাকৰ মাত শুনি ৰীতা বাস্তৱ জীৱনলৈ ঘূৰি আহিল। তাই ফাইলত নিজৰ ডকুমেণ্টবোৰ বিচাৰিবলৈ ধৰিলে। কিন্তু তাইৰ হঠাৎ মনত পৰিল যে তাইৰ যিমান ডকুমেণ্ট আছিল সকলো মাকৰ ঘৰত থাকোতে বানপানীত ভাহি গৈছে। ঘৰত ফোন কৰিবলৈয়ো তাইৰ নিজৰ ম'বাইল নাই । তাইৰ স্বামী অফিচৰ পৰা ঘৰ আহি পোৱাত তাই বান্ধৱী এজনীক ফোন কৰিলে — প্ৰথমতে ক্ৰিং ক্ৰিং তাৰ পিছত সিফালৰ পৰা কাৰোবাৰ মাত ভাঁহি আহিল — 'হেল্ল' ৰীতা নেকি?'

দুধনৈ মহাবিদ্যালয়ত পঢ়ি থকা জীৱনৰ মধুৰতম সময়চোৱালৈ ৰীতা ঘূৰি গ'ল ....।

# সোঁৱৰণীৰ এটি পৃষ্ঠা

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা গল্প প্রতিযোগিতা'ত দ্বিতীয় পুৰস্কাৰপ্রাপ্ত )

**অনুৰাধা ৰাভা**
স্নাতক, চতুৰ্থ যান্মাসিক, বিজ্ঞান শাখা

কাবেৰীৰ ফোনটোত উচপ খাই উঠিছিলো। একান্তমনে উপন্যাস এখন পঢ়ি থকাৰ পৰা উঠি আহি তাইৰ ফোনটো ধৰিলো। ভাবিলো ইমান দিনৰ মূৰত তাই ফোন কৰিলে, কিবা হ'লেই নেকি! ফোনটো ধৰাৰ লগে লগে তাই এক প্রকাৰ চিঞৰি উঠাদি ক'লে, 'মুনু....।' মোৰ প্ৰকৃত নাম বেলেগ, মোৰ বন্ধু-বান্ধৱী আৰু আপোনবোৰে মৰমতে মোক 'মুনু' বুলি মাতে। তাই কৈ গ'ল, 'আমাৰ কলেজখনে যে অৰ্ধশতবৰ্ষ গৰকিলে, তুমি গম পোৱা নে নাই? আমাৰ মৰমী মেমজনীয়ে ফোন কৰিছিলে মোক। কলেজৰ গ'ল্ডেন জুবুলিত মাতিছে। তুমি প্লিজ্ সৰহকৈ সময় উলিয়াই আহিবা, বহুত দিনৰ মূৰত লগ পাম।'

তাইৰ ফোনটো ৰখাৰ পিছত আকৌ উপন্যাসখনত মন বহাব নোৱাৰিলো। মনটো পাঁচটা বছৰ আগলৈ গুছি গ'ল। পাঁচ বছৰ আগতে কাবেৰী, নয়ন, দীপা, কৃষ্ণা, কীৰ্তি, জিতু আৰু মই একেলগে দুধনৈ কলেজৰ উদ্ভিদ বিজ্ঞান বিষয়ৰ মেজৰৰ ছাত্ৰী আছিলো। আমি এইকেইজনৰ মাজত ডিগ্ৰীৰ তিনিটা বছৰৰ সময় ছোৱাত বহুত মিল আছিল। এতিয়াও সেই মিলাপ্ৰীতি অটুত আছে। আমাৰ বেট্চ্টো সকলোতকৈ বদমাছ বুলি ছাৰ-মেডামহঁতে সদায়েই কৈছিল। কলেজৰ ক্লাছ কৰিবলৈ গোটেইবোৰে জনাজনি হৈহে আহিছিলো আৰু নাহিলে গোটেইবোৰে নাহিছিলো। প্ৰেক্টিকেল থাকিলেও বহুত হাঁহি-ধেমালি কৰি কটাইছিলো। তথাপিও শিক্ষাগুৰুসকলৰ কথা শুনিছিলো, মানিছিলো। মোৰ মনত আছে ২০১৫ চনত যেতিয়া NAACৰ পৰা কলেজখন পৰিদৰ্শন কৰিবলৈ আহিছিল আমি আটাইবোৰে ছাৰ-মেডামহঁতক বহুত সহায় কৰি দিছিলো। উদ্ভিদ বিজ্ঞান বিভাগৰ ছাত্ৰ-ছাত্ৰী হিচাপে আমাৰ বহুত দায়িত্ব আছিল বুলি ক'ব লাগিব। আমি লগ হৈ গছ ৰুইছিলো, গছবিলাকৰ বটানিকেল নামফলক লিখি লগাই দিছিলো। এটি Ethno Botanical Museum, এখন Medicinal plant ৰ উদ্যান গঢ়োতে আমি সকলোৱে গছ-বন আনি, বস্তু বাহানি সংগ্ৰহ কৰি সহায় কৰি দিছিলো। এতিয়া সেই গছবোৰ কিমান ডাঙৰ হ'ল বৰকৈ চাবলৈ মন গৈ আছে। কৰ্দৈজোপাত কৰ্দৈ লাগিব ধৰিছেনে বাৰু !



ইমান সময় এইবোৰ ভাবি থাকোতে কেতিয়ানো সন্ধিয়া হ'ল গমকে নাপালো। নাতিদূৰৈৰে নামঘৰৰ ডবাৰ শব্দতহে বাস্তৱলৈ ঘূৰি আহিলো। আজি পাঁচবছৰ হ'ল কলেজখনৰ পৰা উত্তীৰ্ণ হৈ ওলাই অহা, কলেজখনলৈ বহুত মনত পৰি আছিল। কাবেৰীৰ ফোনটো পাই মনটো উৎফুল্লিত হৈ পৰিছে, আকৌ কলেজৰ সেই দিনকেইটালৈ ঘূৰি চাবলৈ মন গৈছে। কিন্তু এতিয়া মোৰ পূজাৰ সময় হৈছে। পুৰণি দিনৰ কথা কলেজলৈ গ'লে ভালকৈ উপভোগ কৰিম বুলি বহাৰ পৰা উঠিলো।

# বন্ধুত্ব

লভিতা ৰাভা
স্নাতক, ষষ্ঠ ষান্মাসিক (কলা শাখা)



('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা গল্প প্ৰতিযোগিতা'ত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত)

কেইদিনমানৰ আগতে ৰমেন আৰু প্ৰশান্ত একেখন কলেজ, ধুধনৈ কলেজতে চিনাকি হ'ল। সেই চিনাকিয়ে দুয়োজনৰ মাজত অন্তঃৰংগ বন্ধুত্বৰ ৰূপ ল'লে। দুয়োজনৰে ঘৰৰ অৱস্থা ইমান এটা ভাল নাহ'লেও দুয়োৰে ঘৰত শান্তি বিৰাজ কৰিছিল। দুয়ো সদায় কলেজলৈ আহি পৰস্পৰক লগ ধৰে। কাৰণ ৰমেনৰ ঘৰ কলেজৰ ওচৰতে আৰু প্ৰশান্তৰ ঘৰ অকণমান দূৰত। দুয়ো ভিতৰুৱা গাঁওত জন্ম গ্ৰহণ কৰা গাঁৱলীয়া ল'ৰা। দুয়োজনে সদায় সময়মতে ক্লাছ কৰি ঘৰলৈ যায়। এনেদৰে ক্লাছ কৰি কৰি দিন বাগৰি থাকিল আৰু এদিন এইছ এছ পৰীক্ষা আহি পালে। দুয়োজনে পঢ়া-শুনাবোৰ আলোচনা কৰি লয়। যেনেদৰে ৰমেনে ভালদৰে পঢ়াশুনা কৰে, ঠিক তেনেদৰে ৰমেন ভাল খেলুৱৈও। ৰমেনে খেলি খেলি বহুতো পুৰস্কাৰ অৰ্জন কৰিছে।

এনেদৰে দিন গৈ এদিনাখন এইছ এছ পৰীক্ষা আহি পালে। দুয়োটাই ভালদৰে পঢ়িশুনি আহি পৰীক্ষা দিবলৈ পৰীক্ষা কক্ষত আহি বহি ল'লে। শিক্ষকসকলে পৰীক্ষাৰ প্ৰশ্ন কাকত দিবলৈ ল'লে। সকলো ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ বহীত লিখিবলৈ ধৰিলে। এনেতে ৰমেনৰ পৰীক্ষা দি থাকোতেই চকুত পৰিল এজন ছাত্ৰই ঘৰতে লিখি অনা কপি ধুনীয়াকৈ চাই চাই লিখিব ধৰিছে। পৰীক্ষা শেষ হোৱাৰ পিছত ৰমেনে প্ৰশান্তক ক'লে যে 'প্ৰশান্ত আজি যে পৰীক্ষা কক্ষত কেইজমানে কপি কৰি আছিল তুমি দেখা নাপালা নেকি?' তেতিয়া প্ৰশান্তই ক'লে, 'অ, ৰমেন দেখিছো মইও, ইমান বেয়া কাম কেনেকৈ যে কৰে! ছাৰ হতকো সিহঁতে ভয় নকৰে আৰু কেনেকৈ যে ছাৰহতে বাহিৰলৈ গ'লে মনে মনে চায়, আচৰিত। বাদ দিয়া এইবোৰ কথা, মই হ'লে নোৱাৰো দেই এইবোৰ কৰিব! পিছে তোমাৰ পৰীক্ষা কেনে হ'ল? প্ৰশান্তই ৰমেনক সুধিলে। ৰমেনে ক'লে — 'ভালেই হৈছে আজি আৰু তোমাৰ প্ৰশান্ত?' প্ৰশান্তই ক'লে, 'মোৰো আজি ভালেই হ'ল।' ৰমেনে ক'লে —'প্ৰশান্ত তেন্তে 'বাই', যোৱা তুমি অহাকালি ভালদৰে পঢ়ি আহিবা।

ৰমেন — 'এনেদৰে দিন বাগৰি গৈ থাকোতে কেতিয়া পৰীক্ষাৰ শেষ দিন আহি পালে গমেই নাপালো নহয় প্ৰশান্ত'।

প্ৰশান্ত — 'অ। অই ৰমেন পৰীক্ষা শেষ হ'লে আমাৰ ঘৰলৈ ফুৰিবলৈ আহিবা দেই'।

ৰমেন — 'অ' হ'ব দিয়া'।

এনেকৈ এদিনাখন পৰীক্ষা শেষ হোৱাৰ পিছত ৰমেনে প্ৰশান্তৰ ঘৰলৈ গ'ল। প্ৰশান্তৰ মাক-দেউতাকে ৰমেনক মৰম কৰি ভালদৰে সোধপোচ কৰিলে। ৰমেনেও ভাল পালে। প্ৰশান্তৰ মাক-দেউতাকক নিজৰ মাক-দেউতাকৰ দৰে সন্মান কৰিলে।

কেইদিনমানৰ পিছত পৰীক্ষাৰ ৰিজাল্ট দিলে। ৰমেন আৰু প্ৰশান্ত দুয়োজনে প্ৰথম বিভাগত উত্তীৰ্ণ হ'ল। ঘৰৰ অৱস্থা বেয়া হ'লেও প্ৰশান্তই খুব কষ্ট কৰি আৰু আগলৈ পঢ়িবলৈ ধৰিলে। কিন্তু ৰমেনে সৈনিক বিভাগৰ পৰীক্ষা দি নিৰ্বাচিত হৈ সৈনিকত নাম ভৰ্তি কৰি তাতে কৰ্ম কৰিবলৈ ধৰিলে। এনেকৈয়ে দুয়ো এৰা এৰি হৈ গ'ল। এদিনাখন ৰমেনে চাকৰিৰ পৰা অৱসৰ ল'লে । প্ৰশান্তয়ো এটা ভাল চাকৰি কৰি সময়ত সিও অৱসৰ ল'লে। এদিনাখন এঠাইলৈ গৈ থাকোতে বাটত দুয়ো বন্ধু লগালগি হ'ল, আৰু বহুতো অতীতৰ কথা পাতিবলৈ ধৰিলে। পুনৰ অহাযোৱা আৰম্ভ হ'ল আৰু সিহঁত দুয়োটাই আগৰ দৰে থাকিবলৈ ধৰিলে। সুখৰ দুখৰ খবৰ বাতৰি দুয়ো ল'বলৈ ইজনে আনজনৰ ঘৰলৈ সঘনাই অহা যোৱা কৰিবলৈ ধৰিলে।

প্ৰায় দুকুৰি বছৰ পিছত দুয়োৰে বন্ধুত্বৰ বান্ধোনটি আৰু অধিক কটকটীয়া হৈ পৰিল। ইমান বছৰে বিচ্ছিন্ন হৈ থকাৰ পিছতো বন্ধুত্বৰ চোক নকমিল।

এৰা! প্ৰকৃত বন্ধুৰ তুলনা নাই আৰু বন্ধুত্বৰ দৰে নিৰ্মল সম্পৰ্ক নাই।

# এই প্ৰেম মাথো তোমাৰ বাবে

**প্ৰণৱ দত্ত**
স্নাতক, তৃতীয় ষান্মাসিক(কলা শাখা)

সাগৰ এজন চহৰীয়া ল'ৰা। সি দেখাত ধুনীয়া আৰু চহকী ঘৰৰ। তাৰ মাক-দেউতাক দুয়ো চৰকাৰী চাকৰিয়াল আছিল। সাগৰৰ এটা সপোন আছিল। সি প্ৰিয়ংকাৰ সৈতে বিয়া পতাৰ কথা। প্ৰিয়ংকা আছিল সাগৰহঁতৰ ঘৰত কাম কৰা মানুহ এজনৰ ছোৱালী। প্ৰেমৰ অৰ্থ বুজিব পৰা হোৱাৰ পৰাই সিহঁত দুয়োৱে প্ৰেম কৰিছিল। সিহঁতৰ প্ৰেমত কোনেও বাধা দিয়া নাছিল যদিও বন্ধু-বান্ধৱীকেইগৰাকীমানে সিহঁতৰ এই প্ৰেম সহ্য কৰিব পৰা নাছিল। সাগৰ এজন ইমান চহকী ঘৰৰ ল'ৰা আৰু প্ৰিয়ংকা এজনী সিহঁতৰ ঘৰত কাম কৰা মানুহৰ ছোৱালী। তথাপিও কিন্তু সাগৰ আৰু প্ৰিয়ংকাৰ মাজত কোনো তৃতীয় ব্যক্তি আহিব পৰা নাছিল।

সাগৰ আৰু প্ৰিয়ংকাই দুয়ো দুয়োকে বহুত ভাল পাইছিল আৰু সিহঁতে এজনে আনজনক এৰি থকাৰ কথা কেতিয়াও ভবা নাছিল। কিন্তু সাগৰৰ দেউতাকে প্ৰিয়ংকাক একেবাৰে ভাল পোৱা নাছিল। তথাপি প্ৰত্যেক মাক-দেউতাকে যিহেতু নিজৰ সন্তান যেন সুখত থাকে সেইটো বিচাৰে, সেয়েহে সাগৰৰ দেউতাকে প্ৰিয়ংকাৰ প্ৰতি থকা বেয়া মনোভাৱবোৰ অন্তৰতে ৰাখিছিল আৰু সময় সাপেক্ষে সিহঁত দুজনৰ বিয়া পাতি দিব বুলি ভাবিছিল। কিন্তু আজি-কালিৰ সমাজত যিদৰে সততে দেখা যায় যে নিজ বন্ধুৱে শেষত শত্ৰু হৈ পৰে বা বিশ্বাসঘাটকতা কৰে, ঠিক তেনেদৰেই প্ৰিয়ংকাৰ বন্ধু-বান্ধৱীবোৰে এদিন গৈ সাগৰৰ দেউতাকক ক'লে, 'খুড়া সাগৰ এজন ভাল ল'ৰা, দেখাতো ধুনীয়া, ব্যৱহাৰ ভাল। সি প্ৰিয়ংকাতকৈ বহুত ভাল ছোৱালী পাব আৰু আপুনিও ভাবি চাওঁক, প্ৰিয়ংকা হ'ল আপোনাৰ ঘৰৰ কাম কৰা লোক এজনৰ ছোৱালীহে। আপুনি যদি সিহঁতৰ এই সিদ্ধান্ত মানি লয় তেতিয়া আপুনি আজিৰ সমাজত বহুত নীচ প্ৰমাণিত হ'ব।' প্ৰিয়ংকাৰ বন্ধু-বান্ধৱীৰ পৰা এইবোৰ কথা শুনি সাগৰৰ দেউতাকে এই বিষয়ে বহুত ভাবিব ধৰিলে।

এদিনাখন প্ৰিয়ংকা তাইৰ মোমায়েকৰ ঘৰলৈ কিছুদিনৰ বাবে ফুৰিবলৈ গৈছিল আৰু সাগৰৰ দেউতাকে এইটোৱেই ভাল সময় বুলি ভাবি সাগৰে গম নোপোৱাকৈয়ে নিজৰ চাকৰিৰ স্থান চহৰলৈ বদলি কৰি লয়, য'ত ,সাগৰৰ 'দাদা' পঢ়ে। সাগৰৰ দাদাৰ নাম হ'ল 'জয়'। জয় সৰুৰে পৰা চহৰৰ হোষ্টেলত থাকি পঢ়ে।

কেইদিনমানৰ পিছত প্ৰিয়ংকা মোমায়েকৰ ঘৰৰ পৰা উভতি আহিল আৰু আহি প্ৰথমতে তাই সাগৰৰ ঘৰলৈ গ'ল। কিন্তু সাগৰৰ ঘৰত প্ৰিয়ংকাই কাকো দেখা নাপালে। তেতিয়া প্ৰিয়ংকাই বন্ধু বান্ধৱীবোৰক সুধিলে যে 'সাগৰহঁত ক'লৈ গৈছে?' প্ৰিয়ংকাৰ বন্ধু-বান্ধৱীবোৰে সাগৰে চহৰলৈ যোৱা কথাটো তাইক কোৱা নাছিল । বৰঞ্চ তাইক কৈছিল যে সাগৰ আৰু তাৰ পৰিয়ালটোৰ এটা ডাঙৰ দুৰ্ঘটনাত মৃত্যু হৈছে। প্ৰিয়ংকা লগে লগে মানসিকভাৱে ভাঙি পৰিছিল আৰু কান্দিবলৈ ধৰিছিল।

এতিয়া প্ৰিয়ংকাৰ কোনো কামতে মন নবহা হ'ল। তাইৰ মাকে তাইক ক'লে যে এজন ভাল দৰা চাই তাইক বিয়া দি দিব। কিন্তু প্ৰিয়ংকাই ক'লে 'মা, মই সাগৰৰ বাহিৰে আৰু আন কাকো আপোন কৰি ল'ব নোৱাৰো, আন কাৰো কথা ভাবিব নোৱাৰো । সাগৰ মোৰ সপোন, মোৰ জীৱনৰ সকলো।'

তাইৰ মাকে ক'লে, 'সাগৰৰ মনৰ ইচ্ছা আছিল তই এটা ভাল চাকৰি কৰিবি বুলি। সি এতিয়া এই পৃথিৱীত জীয়াই থকা নাই যদিও তই তাৰ মনৰ আশাবোৰ পূৰণ কৰি তাৰ আত্মাটোক শান্তি দিব লাগিব।' প্ৰিয়ংকাই মাকৰ কথা শুনি পঢ়িবৰ কাৰণে চহৰত উপস্থিত হয়গৈ। তাত গৈ শিক্ষা সাং কৰাৰ পিছত প্ৰিয়ংকাই এখন মহাবিদ্যালয়ত এগৰাকী অধ্যাপিকাৰ পদ লাভ কৰে।

আনফালে কিন্তু সাগৰে প্ৰিয়ংকাক লগ পোৱাৰ আশা লৈ জীয়াই আছিল। সাগৰৰ বন্ধু বান্ধৱীবোৰে আহি সাগৰক কৈছিল যে 'প্ৰিয়ংকাৰ বাবে বাট চাই থাকি তোমাৰ কোনো লাভ নাই। তাই আন কাৰোবাৰ লগত বিয়া হৈ গৈছে।' কিন্তু সেইবোৰ কথা শুনাৰ পিছতো সাগৰে একো মানি ল'ব পৰা নাছিল, কাৰণ সিহঁতৰ প্ৰেম এক বিশ্বাস আৰু ভৰসাৰ বান্ধোনেৰে বন্ধা আছিল। এতিয়া প্ৰিয়ংকা আৰু সাগৰ দুয়ো একেখন চহৰতে থাকে। কিন্তু দুয়োৰে পৰস্পৰৰ লগত দেখা দেখি হোৱা নাছিল।

এদিনাখন প্ৰিয়ংকাই এখন মেলালৈ ফুৰিবলৈ গৈছিল। সেইখন মেলাত তাই এজন ল'ৰাক লগ পাইছিল আৰু তাৰ লগত তাইৰ চিনাকি হৈছিল। সেই ল'ৰাজনক দেখি প্ৰিয়ংকাৰ সাগৰৰ কথাবোৰলৈ মনত পৰিছিল। সিহঁতৰ মাজত এতিয়া বন্ধুত্ব হ'ল, ল'ৰাজনে লাহেলাহে প্ৰিয়ংকাক



ভাল পাবলৈ ধৰিলে আৰু প্ৰিয়ংকাইও সেইজনৰ প্ৰেমত পৰিলগৈ। ল'ৰাজন আছিল সাগৰৰ ককায়েক (জয়), কিন্তু প্ৰিয়ংকাই জনা নাছিল যে জয় সাগৰৰ ককায়েক।

জয়ে ঘৰলৈ আহি মাক-দেউতাকক কয় যে, সি প্ৰিয়ংকা নামৰ ছোৱালী এজনীক ভাল পায় আৰু তাইকেই বিয়া কৰাব। তেতিয়া দেউতাকে একো মাত মতা নাছিল। কাৰণ দেউতাকে অনুভৱ কৰিছিল যে তেওঁ ইতিমধ্যে সাগৰৰ সৈতে বহুত ডাঙৰ ভুল কৰি পেলাইছিল। সেইবাবে তেওঁ একেই ভুল দ্বিতীয়বাৰ কৰিব বিচৰা নাছিল। দেউতাকে জয়ক কৈছিল যে 'জয়, ঠিক আছে তোমাৰ বিয়া আমি প্ৰিয়ংকাৰ লগতে পাতিম। কিন্তু আমি তাইক আগতে আমি এবাৰ চাব বিচাৰো, তাইক লগ কৰিব বিচাৰো। গতিকে আজি আবেলি তাইক আমাৰ ঘৰলৈ মাতিবা। মই তাইৰ সৈতে কথা পাতিম।'

জয় আৰু সাগৰৰ বহুত আনন্দ লাগিল, কাৰণ সিহঁত দুয়োৰে ভালপোৱা ছোৱালী দুজনীৰ নাম একে (প্ৰিয়ংকা)। সাগৰ আৰু জয় দুয়োৰে মাজত কাজিয়া আৰম্ভ হৈ গ'ল — এজনে কয় 'মোৰ প্ৰিয়ংকা বেছি ধুনীয়া, আনজনে কয় 'নহয়, মোৰ প্ৰিয়ংকা বেছি ধুনীয়া'। জয়ে, আবেলি প্ৰিয়ংকাক আহিবলৈ ফোন কৰিলে আৰু তেতিয়াই সাগৰে পিছ পিনে দি গৈ ফোনটো লৈ 'ন-বৌ' বুলি মাত লগালে। সিফালৰ পৰা ভাহি অহা প্ৰিয়ংকাৰ মাতটো শুনি চক খাই উঠি সাগৰে কথা পাতিব নোৱাৰি ফোনটো থৈ পোন হৈ থিয় দি ৰ'ল।

তাকে দেখি জয়ে সাগৰক সুধিলে 'কি হ'ল ভাইটি, তই নামাত কিয় ?' সাগৰৰ মুখৰ পৰা একো উত্তৰ নোলাল। এনেতে সিহঁতৰ মাক-দেউতাক দুয়ো কিবা কামৰ বাবে বাহিৰলৈ যাব লগা হ'ল। সাগৰ আৰু জয়ে একে লগে কথা পাতি আছিল যদিও জয়ে সাগৰৰ মনৰ দুখভাব অনুভৱ কৰি আছিল। এনেতে প্ৰিয়ংকাই আহি পিছফালৰ পৰা সিহঁতক মাত লগালে আৰু সিহঁত দুয়ো তাইলৈ ঘূৰি চালে। সাগৰে প্ৰিয়ংকাক দেখি ভাবিছিল যে নিশ্চয় তাই তাক লগ ধৰিবলৈ আহিছে। এইবুলি ভাবি সাগৰে 'প্ৰিয়ংকা তুমি মোক লগ ধৰিবলৈ আহিছা নেকি ' বুলি ক'ব খোজোতেই জয়ে আহি ক'লে 'সাগৰ এয়া তোৰ নবৌ, কেনেকুৱা লাগিছে?' প্ৰিয়ংকাই সাগৰক দেখা পাই আচৰিত হ'ল। তাইৰ এনে লাগিল যেন তাইৰ মূৰটোত কোনোবাই জোৰ-জোৰকৈ কোবাইছে। তাইৰ মূৰটোৱে কাম নকৰা হ'ল আৰু অচেতন হৈ বাগৰি পৰিল। সাগৰ তাৰ পৰা গুচি গ'ল আৰু এইটো ভাবি কান্দিবলৈ ধৰিলে যে প্ৰিয়ংকাই তাৰ লগত বিশ্বাসঘাটকতা কৰিছে। সাগৰে ঘৰৰ ভিতৰলৈ গৈ দুৱাৰখন বন্ধ কৰি প্ৰিয়ংকালৈ এখন চিঠি লিখিলে — 'প্ৰিয়ংকা তুমি মোৰ দাদাৰ যতন ল'বা। তাক ভালদৰে চাবা। আশাকৰো তুমি ভালে ভালে থাকিবা।' সিফালে প্ৰিয়ংকাৰ জ্ঞান ঘূৰি আহিল আৰু তাই 'সাগৰ' 'সাগৰ' বুলি জোৰ জোৰকৈ চিঞৰিবলৈ ধৰিলে। জয়ে প্ৰিয়ংকাক ক'লে 'তুমি সাগৰক কেনেকৈ চিনি পোৱা ? তাৰ নাম কেনেকৈ জানা। মইতো সি মোৰ ভাইটি বুলিহে তোমাক কৈছিলো!' তেতিয়া প্ৰিয়ংকাই ক'লে 'সাগৰ মোৰ প্ৰথম আৰু শেষ প্ৰেম... সাগৰ... সাগৰ... সাগৰ ... I Love সাগৰ।'

তাৰ পিছত প্ৰিয়ংকাই জয়ক গোটেই কথাবোৰ ক'বলৈ ধৰিলে আৰু তাইৰ সাগৰৰ বন্ধুবোৰৰ বিশ্বাসঘাটকতাৰ কথাও ক'লে। জয়ৰ আৰু বুজিবলৈ একো বাকী নাথাকিল। সি এইবোৰ শুনি হতাশাত ভাঙি পৰিল। জয় আৰু প্ৰিয়ংকা দুয়ো সাগৰক বিচাৰিবলৈ ধৰিলে আৰু কোনো ঠাইতে বিচাৰি নাপাই সিহঁত দুজনেই ভাবিলে যে সাগৰ নিশ্চয় গাঁওলৈ গৈছে । তাকে ভাবি প্ৰিয়ংকা আৰু জয় দুয়ো গাঁওলৈ গ'ল। গৈ দেখে সাগৰে কান্দি কান্দি বন্ধু-বান্ধৱীবোৰৰ আগত কৈ আছে যে প্ৰিয়ংকাই তাৰ লগত বিশ্বাসঘাটকতা কৰিছে। সাগৰৰ মনৰ অৱস্থা দেখি বন্ধু-বান্ধৱীবোৰে কৈছিল যে 'প্ৰিয়ংকাৰ কোনো দোষ নাই, আমি আৰু তোৰ দেউতা মিলি তোক প্ৰিয়ংকাৰ পৰা দূৰলৈ পঠিয়াই দিছিলো। প্ৰিয়ংকা মোমায়েকৰ ঘৰৰ পৰা ওভতাৰ পিছত তোৰ কথা সোধোতে তোৰ মৃত্যু হৈছে বুলি কৈছিলো।'

সাগৰে এতিয়া নিজে নিজকে দোষী বুলি ভাৱিলে। সি প্ৰিয়ংকাক মিছাতে এনেকুৱা সন্দেহ কৰিছিল।

সি যি কি নহওঁক সাগৰে জয় আৰু প্ৰিয়ংকাৰ প্ৰেমত বাধা হৈ থিয় দিব খোজা নাছিল। জয়ে ক'লে, 'সাগৰ তই মোৰ বাবে তোৰ ইমান দিনৰ ভালপোৱা ত্যাগ কৰিবলৈ ওলাইছা, মই তোৰবাবে মোৰ এই কেইদিনমানৰ ভালপোৱা ত্যাগ কৰিব নোৱাৰিমনে ? প্ৰিয়ংকাই তোক সঁচাকৈ বৰ ভাল পায়। যাৰবাবে ইমানবোৰ হৈ যোৱাৰ পিছতো আজি তহঁতৰ আকৌ এবাৰ মিলন হ'ল। সাগৰ, প্ৰিয়ংকাই অন্তৰৰ নিভৃততম কোণৰ পৰা বহুবছৰ ধৰি এইকথা অনুভৱ কৰি আহিছে যে, 'এই প্ৰেম মাথো তোমাৰ বাবে।'

জয়ে সাগৰৰ হাতত প্ৰিয়ংকাৰ হাতখন তুলি দি তাৰপৰা আঁতৰি গ'ল।

# মৰহা জীৱন

**ৰূপম দাস**
স্নাতক তৃতীয় ষান্মাসিক (কলা শাখা)

ৰাহুল আজি ডাক্তৰ। অলপ দিনৰ ভিতৰতে তেওঁ জনপ্ৰিয় হৈ উঠিছে। অকল এটা অঞ্চলতে নহয় গোটেই চহৰখনতে। ল'ৰাৰ পৰা বুঢ়ালৈকে, দুখীয়াৰ পৰা ধনীলৈকে সকলোৰে মুখে মুখে কেৱল ৰাহুল ডাক্তৰৰ কথা। বিশেষকৈ দুখীয়া ৰাইজৰ বাবে ৰাহুল অধিক প্ৰিয়। কাৰণ তেওঁ দুখীয়া মানুহৰ পৰা চিকিৎসাৰ নামত এটা পইচাও নলয়। ৰাহুলে ঘৰতে ফাৰ্মাচী খুলিছিল আৰু পুৱাৰ পৰা গধুলিলৈকে কিমান যে ৰোগী ভাল কৰিছিল তাৰ হিচাপ নাই।

কিন্তু ব্যস্ততাৰ মাজতো যেন ৰাহুলৰ বুকুলৈ নামি আহে প্ৰচণ্ড চিন্তাৰ ধুমুহা। যি ধুমুহাই তেওঁৰ আলসুৱা মনটোক উৰুৱাই লৈ যায় তেওঁৰ মৰহা জীৱনলৈ।

ৰাহুল পঢ়াশুনাত বৰ চোকা আছিল। শ্ৰেণীত সদায় তেওঁ প্ৰথম হৈছিল। কিন্তু ঘৰৰ অৱস্থা বৰ শোচনীয় আছিল। দেউতাক আছিল এজন সাধাৰণ কাঠ মিস্ত্ৰী। সেইখিনি উপাৰ্জনেৰে তেওঁ ৰাহুলৰ পঢ়া খৰচ যোগাব নোৱাৰিছিল। ৰাহুলৰ মাক আছিল কামিলা আৰু বৰ বুদ্ধিমতী। কাপোৰ বোৱাত আছিল বৰ পাকৈত। নিজে কাপোৰ বেছি তেওঁ কোনো ৰকমে ৰাহুলৰ পঢ়াৰ খৰচ উলিয়াইছিল। কিন্তু ভগবানে সেইটোও সহ্য কৰিব নোৱাৰিলে। এই সুখৰ পৰিয়ালটোলৈ এদিন নামি আহিল এচপৰা ক'লা ডাৱৰ। ৰাহুলৰ মাকৰ জ্বৰ আৰম্ভ হ'ল। জ্বৰ ক্ৰমে বেছি হ'বলৈ ধৰিলে। ৰাহুলৰ দেউতাক গোপালে উপায় নোপোৱা হ'ল। চিকিৎসা কৰিবলৈ হাতত এটা ফুটা কড়িও নাই। ৰাহুলে ভাবিলে আজি সিহঁতক সহায় কৰিবলৈ কোনো নাই, কিন্তু তেওঁ যে মাকক বচাব লাগিব। তেতিয়া ৰাহুলে পাগলৰ দৰে দৌৰি গৈছিল বৰ দেউতাক হৰিকান্তৰ ওচৰলৈ। কিন্তু হায়! মানুহৰ কি কঠোৰ হৃদয়। প্ৰতিহিংসাৰ ৰূপ কি ভয়াৱহ। সামান্য সহায়ৰ পৰিৱৰ্তে বৰ দেউতাকে ৰাহুলৰ অন্তৰলৈ মাৰিছিল কিছুমান কঠোৰ বাক্যবাণ। সেই দিনাই ৰাহুলে উপলব্ধি কৰিব পাৰিলে মানুহৰ গোপনতম হৃদয়ৰ কথা। এখন জৰাজীৰ্ণ হৃদয় লৈ ৰাহুল উভতি আহিল ঘৰলৈ। সেই দিনা নিশা বাৰমান বজাত মৃত্যুশয্যাত চট ফটাই থকা মাকে ৰাহুলক ওচৰলৈ মাতি আনি কঁপা কঁপা মাতেৰে কৈছিল — 'বোপা! মই আৰু বেছি সময় বাছি নাথাকিম। ভাবিছিলো তোক ডাঙৰ মানুহ কৰিব পাৰিম। কিন্তু বিধাতাই নিদিলে মোক সেইখিনি কৰিবলৈ। মই আশা ৰাখিছো বোপা তই আন হ'ব নালাগে ডাক্তৰ হ'বি। দুখীয়া মানুহক বিনা পইচাৰে চিকিৎসা কৰিবি। মই আশা কৰিলো বোপা মই বো...পা.... ! আ.... হি.... লো.....!



ৰাহুলৰ মাক গুচি গৈছিল ৰাহুলৰ হৃদয়ত এক বিৰাট আঘাত নিক্ষেপ কৰি। সেই দিনা ৰাহুলে কেৱল কান্দিছিল হিয়া ঢাকুৰি, কৰিবলৈ একো নাছিল। এইদৰে দুখ বেদনাৰ মাজেৰে জীৱনৰ খেলা খেলি যাব ধৰিছিল ৰাহুলে। প্ৰবেশিকা পৰীক্ষাৰ ফলাফল ঘোষণা হৈছিল। ফলাফল জানিব পাৰি ৰাহুলৰ ম্লান পৰা মুখখনিত হাঁহিৰ ৰেখা বিৰিঙি উঠিছিল। অসমৰ ভিতৰত প্ৰথম স্থান পালে ৰাহুলে। কিন্তু বিধাতাই জানো সহ্য কৰিব পাৰিলে? পৰীক্ষাৰ ফলাফল ঘোষণাৰ কেইদিনামান পাছতে ৰাহুলক এৰি দেউতাকে গুচি গৈছিল ইহ সংসাৰৰ পৰা। তথাপি তেওঁ হতাশ নহ'ল; অলেখ চেষ্টা কৰি দুটা বছৰ স্থানীয় কলেজৰ বিজ্ঞান শাখাত পঢ়ি তেওঁ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ সাহস গোটালে ডাক্তৰী পঢ়িবৰ কাৰণে। সম্পত্তি বুলিবলৈ দেউতাকে এৰি থৈ যোৱা মাটি এবিঘা। সেইখিনিকে বিক্ৰী কৰি কোনোমতে পঢ়া খৰচ উলিয়ালে।

এদিন সঁচাকৈয়ে ৰাহুলৰ সপোন বাস্তৱত পৰিণত হ'ল। ৰাহুলে এম বি বি এছ পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'ল। দুবছৰ পিছত তেওঁ চাকৰি পালে। কিন্তু চাকৰি কৰিবলৈ ৰাহুলে মন নকৰিলে। তেওঁ প্ৰাইভেট ফামাৰ্চী খুলি বিনা পইচাই সেৱা কৰাৰ মনোভাৱেৰে চিকিৎসা আৰম্ভ কৰিলে। কিন্তু কাক? ভদ্ৰতাৰ মুখা পিন্ধা সেই ধনীৰ দুলালহঁতক? নহয়, আশ্ৰয়হীন দুখীয়া ক্ষুধাতুৰ মানুহক, যিজনে এসাজ অন্নৰ বাবে আজীৱন সংগ্ৰাম কৰি আহিছে! সেইজনক যিজনে ধনৰ অভাৱত ৰোগীক মৃত্যুৰ মুখলৈ ঠেলি দি নীৰৱে চকুলো টুকিছে....।

কথাবোৰ ভাবি ভাবি ৰাহুলৰ মনৰ ফুলনিৰ মৰহা পাপৰিবোৰ আজিও সেমেকি উঠে।

# দুটি কবিতা



## (১)

## শৰতৰ বোকোচাতে ফাগুণ

**বীৰেন ভূঞা**
সহযোগী অধ্যাপক, পৰিসংখ্যা বিভাগ

তুমি আহিম বুলি নোকোৱা হ'লে
মই হয়তো,
শৰতৰ বোকোচাতে ফাগুন যে আহিব
সেই কথা
ইমানকৈ নেভাবিলোহেঁতেন ;

বৰ লুইতৰ বুকুৰে মই
ভটীয়নি নাৱেৰে ভটীয়াই যাওঁতে,
শান্ত শীতল বতাহ ছাটিয়ে
দুই পৰীয়া আলসুৱা কহুঁৱাক
কিনো কথা কাণে কাণে ক'লে,
তেনেই নেভাবিলোহেঁতেন ;
তুমি আহিম বুলি নোকোৱা হ'লে
মই হয়তো,
নিজান আবেলি ঘাটত বহি অকলশৰে,
দূৰণিৰ ঘৰমুৱা নাওবোৰ চাই-চাই
একোকেই নেভাবিলোহেঁতেন ;
নৈ পৰীয়া বিলখনৰ পৰা
সৌ-দিশে আকাশেৰে,
জাকিমাৰি উৰি যোৱা বগলীজাক দেখি
অহা শৰতলৈ সিহঁতবোৰ
ঘূৰি আহিবনে নাহে
এই কথা
মুঠেই নেভাবিলোহেতেঁন।

তুমি আহিম বুলি নোকোৱা হ'লে
মই হয়তো,
শৰতৰ বোকোচাতে ফাগুন যে আহিব
সেই কথা ইমানকৈ
ঘূৰাই-পকাই নেভাবিলোহেঁতেন।

## (২)

## মাজুলী

মই সুধিছিলো, হয়নে
মাজুলীলৈ কিমান বাট,
তেওঁ ক'লে,
নৈৰ বুকুতহে মাজুলী
দুয়োফালে আছে ঘাট,
ঘাটৰ পৰা আমাৰ গাঁওলৈ
তামোল এখনৰ বাট;
বাৰিষা হ'লে বৰনাও
খৰালি বুটবুটি চলে
চিকুনাই থ'ম মনৰ পদূলি
তুমি আহিম বুলি ক'লে !



# দীনবান্ধৱীৰ হেঙুলীয়া মোহনাত

( শুচিব্ৰতা ৰায় চৌধুৰীৰ কৰকমলত )

ড° নিৰূপা ৰয় বৰু
সহযোগী অধ্যাপিকা আৰু মূৰব্
উদ্ভিদ বিজ্ঞান বিভ

মোৰ মগ্ন চেতনাত
বৈ যাওঁক
শব্দৰ
অবিচ্ছিন্ন সোঁত
ধমনীয়ে ধমনীয়ে
স্পন্দিত হওঁক
তোমাৰ সেউজীয়া
ছবি
কৃতকাৰ্য্যতাৰ সাগৰত
সুবক্তা, গীতিকাৰ ঔপন্যাসিক
আৰু
প্ৰবন্ধকাৰ হৈ
মেলি দিলা তোমাৰ
সুবৃহৎ পানচৈ
শিশু হৃদয়ৰ দুৱাৰত
টুকুৰিয়াই
লালন কৰিলা
তোমাৰ নীলা-হালধীয়া ...
খোজৰ সোণালী
বাটত
প্ৰেম প্ৰজ্ঞাৰে
তুমি সংগ্ৰামী
তুমি ব্ৰহ্মবাদিনী
তুমি মৰতৰ নীলাকাশ
শৰীৰ দানেই তোমাৰ
অনিন্দ্য কীৰ্ত্তি
পকোঁৱাৰ পৰা
বতাহৰ সোঁতে সোঁতে
প্ৰান্তৰে প্ৰান্তৰে
সেউজীয়াৰ গোন্ধ
মেঘ হৈ বৰষে
অনুৰণিত হয়
অন্ধকাৰৰ বিৰুদ্ধে
জেহাদ
উন্মোচন হয়
ত্যাগৰ দস্তাবেজ
সপ্তপৰ্ণাৰে সপ্তৰং সানি
স্বনিয়োজিত স্বৰ্ণিল দুহাতৰ
পৰশেৰে
ত্যাগৰ শলিতা
জ্বলাই
দুখ আৰু নিসংগতাৰ মোচনত
গঢ়ি উঠে
'আমাৰ ঘৰ'
বৈ যায়
অসম কেশৰীৰ
বিন্দু বিন্দু
তেজকণিকা
দীন বান্ধৱীৰ
হেঙুলীয়া মোহনাত
আৰু
মোহ্যমান দিগন্তত
মই বিচাৰো
এটি আশ্ৰয়গৃহ
শব্দৰ ওচৰত
মেলি দিও মোৰ
শীৰ্ণ দুহাত
মোৰ আঙুলিৰ
স্পৰ্শত
বৈ যাওক
শব্দৰ
অবিচ্ছিন্ন সোঁত
মোৰ মগ্ন চেতনাৰে
বৰ্ণাবলৈ
তোমাৰ সেউজীয়া ......।।

# তুমি শুভাঞ্জনা

(‘মহাবিদ্যালয় সপ্তাহ’ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা ‘থিতাতে লিখা কবিতা প্রতিযোগিতা’ত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত )

**অৱনীতা সাউদ**
**স্নাতক দ্বিতীয় ষান্মাসিক (কলা শাখা)**

অনুৰঞ্জনা তুমি দুধনৈ মহাবিদ্যালয়
অপৰূপা তুমি অনুশ্ৰী।
প্ৰকৃতিৰ আড়ম্বৰত নীৰাজিতা
তুমি যেন এটি মনোৰম সেউজ উপত্যকা
চিৰবিনন্দীয়া তোমাৰ শ্যামলিমা।

তোমাৰ বিশাল বুকুৰ সেই সেউজ সলিলৰাশি
সমীৰ পৰশনত জাগে মৃদু কঁপনি
হিল্লোলিত হয়
পাতৰ ফাঁকেৰে সৰকি অহা
তেজৰঙা ঊষাৰ বিকীৰ্ণ অৰুণিমা।

প্ৰকৃতি নন্দিনী তুমি
ঋতুৰে ঋতুৰে তোমাৰ বিচিত্ৰ বৰ্ণালী
বিস্তীৰ্ণভূমিত ৰাশি ৰাশি বৰ্ণাভ বিটপী।

ৰক্তিম পলাশে ৰাঙলী সাজেৰে
উন্মনা ফাগুণ আদৰে

মদাৰ, কৃষ্ণচূড়াই সিঁচে মুঠি মুঠি ফাঁকু
নীলিম আকাশী হিয়াত
হালধীয়া সোণাৰুৱে যেন ঘন বুটা বাচে
এখনি সেউজী ৰিহাত,
ৰাধাচূড়াই ওলগ জনাই তৰাফুলী সন্ধিয়াক
গুলপীয়া মিচিকি হাঁহিৰে।

অনন্ত যৌৱনা তুমি
অনুপমা সুষমা,
ৰূপালী জোনাকে চুমে
এজাৰ, দেৱদাৰুৰ পাতত সৰি পৰা
মুকুতাফুলীয়া হিমিকা।
বকুলবনত উৰে সাতোৰঙী পখিলা
চৌপাশে নামে সৌন্দৰ্যৰ বৰষা।

কুলিৰ কুহুতানত, কেতেকীৰ মিঠা মাতত
উতলা ব'হাগ উথলি উঠে,
হেঁটুলুকাই ডালে ডালে বসন্তৰ ৰাগিণী জোৰে
ৰিব্‌ৰিব্ মলয়াৰ ভাঁজে ভাঁজে ভাহি আহে
কামিনীকুসুমৰ মিঠা সুৰভি।
তুমি যেন এটি ক্ষুদ্ৰ তাঙৰণ
এই সুবৃহৎ ভাৰতবৰ্ষৰ;
সমন্বয় এনাজৰীৰে গ্ৰথিত যেন এখন
সম্প্ৰীতিৰ দলিচা।
তোমাৰ হৃদয়ত অনুৰণিত হয়
চিফুঙৰ সুমধুৰ সুৰ ...
বিহুৱা ঢোলৰ ছেও ...
তুমি যেন নৱ প্ৰত্যুষত প্ৰস্ফুটিত
নানাৰঙী ফুলৰ আৱেষ্টনীৰে এখনি নিৰুপমা ফুলনি।
চিৰসেউজ, অবিনাশী তোমাৰ কান্তি
অনৱধি তোমাৰ বিমল দীপ্তি
মৌনতাতো বাঙ্ময়ী তুমি
তমসাতো চিন্ময়ী।
শুভাঞ্জনা তুমি
অনস্বৰ হৈ থাকক
চিৰজ্যোতিস্মান তোমাৰ অনুকাশজ্যোতি।



# দুধনৈ মহাবিদ্যালয়ৰ আত্মকথা

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা কবিতা প্ৰতিযোগিতা'ত দ্বিতীয় পুৰস্কাৰপ্ৰাপ্ত )

**শিখা শৰ্মা**
স্নাতক ষষ্ঠ ষান্মাসিক , কলা শাখা

সময়ে সলায় ৰং ........
এয়া চল্লিছৰ দশক পাৰ কৰিছোঁ,
চৌদিশে উচ্ছাসভৰা চাৱনি
জন্ম লৈছিলো দুধনৈ মহাবিদ্যালয় নামেৰে।
কেইগৰাকীমান শিক্ষা অনুৰাগী
আৰু জ্ঞান পিয়াসীৰ
অশেষ প্ৰচেষ্টাত এদিন মই সাৰ পাইছিলোঁ
ভবা নাছিলো এনে এটা দিন আহিব বুলি।
সন্মুখৰ পুখুৰীত নানাৰঙী মাছৰ জলকেলি,
চৌদিশে সোণাৰুৰ হালধীয়া হাঁহি,
কৃষ্ণচূড়াৰ ৰঙা ৰঙে উদ্ভাসিত কৰে দেহ মন
আৰু নৱাগতক দিয়ে হিয়াভৰা আশ্বাস।
সেইকেইজোপা গছ একে ঠাইতে আছে
মাথোঁ ফুল ফুলে সৰি যায়।
চৌহদত কলেজ গাৰ্লৰ ফটোৰ ক্লিক্
হাঁহি হাঁহি সিহঁতে কৰে ধেমালি।
শ শ শিক্ষাৰ্থীৰ আগমনত মুখৰিত
এই বিদ্যামন্দিৰ।
ছাৰ-বাইদেউ বন্ধু বান্ধৱীৰ আস্থা- মৰম
সমন্বয়ৰ এনাজৰী মই
চৌপাশৰ মাজত আছো
দুধনৈ মহাবিদ্যালয় হৈ।
ময়েই দিও শতজনক সপোন ৰচাৰ বাট
আৰু জীৱন পথত চলাৰ অদম্য স্পৃহা,
বাগ্‌দেৱী ঘাটে মনলৈ আনে বিশ্বাস আৰু প্ৰত্যয়
দূৰ কৰে মনৰ শংকা,
পল-অনুপল গৈ দিন বাগৰি আছে
কিন্তু একেই আছে মোৰ আত্মা
মাথোঁ সলনি হ'ল চৌদিশৰ ৰূপ-ৰং
যিয়ে প্ৰদান কৰিছে চৌহদটিক এক নতুনত্ব
আৰু এই নতুনত্বই শিক্ষাৰ্থীৰ মনত যোগাইছে ন-প্ৰেৰণা !



# ভালপোৱা

**অনুসূয়া ৰয়**
স্নাতক চতুৰ্থ ষান্মাসিক (কলা শাখা)

আথে বেথে লোৱা আৰু দিয়া
চিকুণ পুৱাৰ উশাহ আৰু
ভালপোৱা।

মেঘসনা নীলা চাদৰ এখন পাৰি দিছো
মোৰ বুকুৰ ইপাৰে সিপাৰে,
সোণ, তুমি ঘুমটি যোৱা
পৰ দি গুণগুণাই থাকিম মই,
হাত বুলাই তোমাৰ মূৰত
থাকিম তোমাৰ কাষতে বৈ।

বৈ, বৈ, বৈ নিদিবা,
গৈ গৈ গুচি নাযাবা,
মোক ভাবি নিজক কোৱা
নিজক সুধি নিজেই কোৱা

আচলতে তুমি মোক
কিমান কিমান ভালপোৱা ??

# মোৰ মন যায়

পূৰবী ৰাভা
স্নাতক ষষ্ঠ যান্মাসিক (কলা শাখা)

মন যায় মোৰ আমাৰ দুধনৈ মহাবিদ্যালয়লৈ আহিবলৈ,
মন যায় মোৰ
শ্ৰদ্ধাৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰা
শিক্ষা গ্ৰহণ কৰিবলৈ
মন যায় মোৰ আমাৰ দুধনৈ মহাবিদ্যালয়ৰ
মনোমোহা পৰিৱেশ চাই থাকিবলৈ
মনযায় পখিলা হৈ মহাবিদ্যালয় চৌহদত উৰি উৰি
বাটৰুৱাৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ
মনযায় মোৰ আমাৰ দুধনৈ মহাবিদ্যালয়লৈ
দূৰ-দূৰণিৰ পৰা অহা
শিক্ষাৰ্থীসকলৰ সৈতে নিকা বন্ধুত্ব গঢ়িবলৈ আৰু
মহাবিদ্যালয়খনক
এটি দ্বিতীয় পৰিয়ালৰূপে পাবলৈ।

# ক'ত হেৰাল

ধনোশ্ৰী চৌধুৰী
উঃ মাঃ দ্বিতীয় বৰ্ষ (কলা শাখা)

ক'ত হেৰাল
সেইখনি নৈ
যিখনত বৈছিল
আনন্দৰ জোঁৱাৰ,
ক'ত হেৰাল
সেই সংস্কৃতি
য'ত প্ৰসাৰিত হৈছিল
সমাজৰ স্নিগ্ধ ছবি,
ক'ত হেৰাল
সেই সুখৰ দিনবোৰ
যিবোৰ দিনত আমি পাহৰি গৈছিলো
জাতি-ভেদ প্ৰথা, হিংসা-বিদ্বেষ ...
আদিৰ দৰে ধ্বংসকামী শব্দবোৰ !!
ক'ৰবাত হেৰাই গ'ল
এই সকলোবোৰ ....
হেৰাইযোৱা এই মাদকতাভৰা সময়বোৰক
পুনৰাই ওভতাই আনিব পাৰিমনে?
পাৰিমনে আমি ?

# দুধনৈ মহাবিদ্যালয়ৰ চিনাকি

('মহাবিদ্যালয় সপ্তাহ'ত আলোচনী বিভাগৰ পৰা অনুষ্ঠিত কৰা 'থিতাতে লিখা কবিতা প্ৰতিযোগিতা'ত তৃতীয় পুৰস্কাৰপ্ৰাপ্ত )

ছিমি বৰুৱা
উচ্চতৰ মাধ্যমি প্ৰথম বৰ্ষ (কলা শাখা)

মৰমৰ দুধনৈ মহাবিদ্যালয়
সৌন্দৰ্যময় ঠাই,
শিক্ষা, দীক্ষাৰ ফালৰ পৰা
পিছপৰি থকা নাই।
বহু বছৰ আগৰে পৰা চলি থকা
এই মহাবিদ্যালয়,
নাই অভাৱ-অনাতন
দেখাত দৃষ্টিনন্দন।
দুধনৈ মহাবিদ্যালয়ৰ সকলো দিশতে
কোনো তুলনা নাই,
চাৰিওফালৰ সুমধুৰ পৰিৱেশ
মহামিলনৰ ঠাই।
মহাবিদ্যালয়খনত আছে
কিমান যে নেদেখা বস্তু
দেখি আনন্দ কৰোতে কৰোতে
মনটো হয় তুষ্ট।
অসমী আইৰ মাটিত এই
দুধনৈ মহাবিদ্যালয়,
সৌন্দৰ্য্যৰে পৰিপূৰ্ণ জ্ঞানালয়খনি
ধ্বংস হৈ যোৱাৰ
কেতিয়াবা লাগে ভয়।
বৃহত্তৰ দুধনৈ অঞ্চলৰ
একমাত্ৰ উচ্চশিক্ষাৰ অনুষ্ঠানৰূপে
আছে ইয়াৰ যথেষ্ট গুৰুত্ব
এই মহাবিদ্যালয়তে পঢ়ো আমি
সেয়েহে জানো ইয়াৰ মহত্ব,
শিক্ষক, শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰীৰ অবিহনে
ইয়াৰ নাই কোনো অস্তিত্ব।